## গোৱালপাৰা মহাবিদ্যালয়

# নামনি অসম এডুকেচন ফেয়াৰৰ প্ৰস্তুতি

প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ২৮ এপ্ৰিল ঃ গোৱালপাৰা মহাবিদ্যালয়ত নামনি অসম এডুকেচন ফেয়াৰ-২০২৪ৰ প্ৰস্তুতি সন্দৰ্ভত আজি এখন সংবাদমেল সম্বোধন কৰে। উক্ত সংবাদমেলত গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে কয় যে অহা ১৩ মে'ত গোৱালপাৰাত, ১৫ মে'ত বঙাইগাঁৱত আৰু ১৭ মে'ত বৰপেটাত এদিনীয়া কাৰ্যসূচীৰে নামনি অসম এডুকেচন ফেয়াৰ-২০২৪ অনুষ্ঠিত কৰা হ'ব। উক্ত এডুকেচন ফেয়াৰখন কলেজ পণ্ডিত ডট কম, ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু গোৱালপাৰা মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত হ'ব। এডুকেচন ফেয়াৰৰ অনুষ্ঠানত অসমৰ লগতে ভাৰতৰ বিভিন্ন ৰাজ্যৰ নামজ্বলা শিক্ষানুষ্ঠানসমূহে অংশগ্ৰহণ কৰিব। ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ কেৰিয়াৰ গাইডেন্সৰ সন্দৰ্ভত হ'বলগীয়া এই এডুকেচন ফেয়াৰখনত গোৱালপাৰা জিলাৰ লগতে বঙাইগাঁও, বৰপেটা, ধুবুৰী, কামৰূপ আৰু বি টি এ ডিৰ শিক্ষানুষ্ঠানৰ শিক্ষাবিদ, অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব। ইয়াত গুৱাহাটীৰ গ্ল'বেল বিশ্ববিদ্যালয়ৰ লগতে হায়দৰাবাদৰ গুৰু নানক বিশ্ববিদ্যালয়, কলকাতাৰ জি আই এছ গ্ৰুপ অব্‌ ইনষ্টিটিউট, পঞ্জাবৰ লাভলি প্ৰফেচনেল বিশ্ববিদ্যালয় আদি বিভিন্ন ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহে অংশগ্ৰহণ কৰিব। বিভিন্ন ক্ষেত্ৰৰ যশস্বী লোকক এই অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। সংবাদমেলত কলেজ পণ্ডিত ডট কমৰ বিষয়ববীয়াসকল উপস্থিত থাকে আৰু এই এডুকেচন ফেয়াৰখনৰ জৰিয়তে বহু মেধাৱী ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে। সংবাদমেলত ইভেণ্ট মেনেজাৰ মহিবুল ইছলাম লস্কৰে উক্ত এডুকেচন ফেয়াৰখন সাফল্যমণ্ডিত কৰিবলৈ সকলোৰে সহায়-সহযোগিতা কামনা কৰে।